# B.A./B.Com 1st Semester Examination 2023

## Sub. : Assamese

## Paper Code : AEC0100102

## Paper Title : যোগাযোগমূলক অসমীয়া

Total marks : 30 Time : 1½hrs.

*The figures in the margin indicate full marks for the questions.*

১। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া- ১×৫=৫

(ক) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা কেইটা ?

(খ) অসমীয়া ভাষাৰ যিকোনো এটা নাসিক্য ধ্বনিৰ নাম উল্লেখ কৰা।

(গ) 'বাক্য' শব্দটোৰ উচ্চাৰণ অসমীয়া ভাষাত কিদৰে কৰা হয় লিখি দেখুওৱা।

(ঘ) দাঁত বাগ্‌যন্ত্ৰৰ অংশ হয়নে ?

(ঙ) শ্বাসাঘাতে শব্দ বা বাক্যৰ অৰ্থ বা প্ৰকাৰ সলাব পাৰেনে ?

২। তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ দিয়া - ২×৫=১০

(ক) অসমীয়া ভাষাৰ 'ত' ধ্বনিটোৰ উচ্চাৰণৰ স্থান কি ?

(খ) জাননী মানে কি ?

(গ) যতিৰ তাৰতাম্যৰ বাবে অৰ্থৰ সালসলনি হ'ব পাৰেনে? এটা উদাহৰণ দিয়া।

(ঘ) অসমীয়া ভাষাৰ উষ্মধ্বনিকেইটা কি কি ?

(ঙ) কৰ্মক্ষেত্ৰত এজন উকীল আৰু এজন ডাক্তৰৰ কথনশৈলী কিয় ভিন্নধৰণৰ হয়?

(Turn Over)

(চ) যিকোনো বিজ্ঞাপনৰ মূল উদ্দেশ্য কি হয় লিখা।

(ছ) অসমীয়া ভাষাৰ নিম্নমধ্য সংবৃতৌষ্ঠ্য স্বৰ 'অ'ৰে দুটা শব্দ লিখা।

(জ) সুৰলহৰ কাক বোলে?

(ঝ) শব্দৰ অৰ্থৰ ক্ষেত্ৰত অভিধা মানে কি ?

(ঞ) ঘোষক মানে কি ?

৩। তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা - ৫×৩=১৫

(ক) ৰেডিঅ'ৰ ঘোষকৰ পাঁচটা গুণ উল্লেখ কৰা।

(খ) বিজ্ঞাপন কাক বোলে? বিজ্ঞাপনৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

(গ) নিমন্ত্ৰণী পত্ৰ কাক বোলে? কোনো এখন বিয়াৰ নিমন্ত্ৰণী পত্ৰৰ আৰ্হি প্ৰস্তুত কৰি দেখুওৱা।

(ঘ) তোমাৰ শ্ৰেণীকোঠাটোৰ অস্বাস্থ্যকৰ পৰিবেশৰ সবিশেষ উল্লেখ কৰি চিকুণাই দিবলৈ অধ্যক্ষলৈ এখন আবেদন পত্ৰ লিখা।

(ঙ) যিকোনো সামগ্ৰীৰ বিক্ৰেতাৰূপে তোমাৰ ভাষা কেনেধৰণৰ হোৱা উচিত চমুকৈ আলোচনা কৰা।

(চ) তলৰ কথোপকথনখিনিত উপযুক্ত যতি চিহ্ন বহুওৱা—

ৰাহুলে বিৰক্তিৰে উত্তৰ দিলে মই সেইবোৰ একো নাজানো মোক নুসুধিবা

প্ৰিয়ংকাই খঙেৰে ক'লে অ'হ হ' তুমি নাজানা তুমি নাজানা যদি কোনে জানে অন্তৰাই

অ তাইকে সোধাগৈ মোৰ মূৰটো নাখাবা ৰাহুলে তলমূৰ কৰি ভোৰভোৰালে

—oo—